অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date* :

**Assam Jatiya Bidyalay Kids enjoy Silver Jubilee of their school.**

**<u>Guwahati, 31 December, 2018</u> :** A three hour programme enthralled the audience at Assam Jatiya Bidyalay Campus this morning where most of the kids from nursury to class v participated in a varitey of programmes. The ceremony began at 9 am with lighting the ‘Diya’ by Narendra Mohan Goswami, the Academic officer of the school. Udaya Phukan, one of the vice Principals of the school, delivered her welcome speech and explained the significance of such an occasion specially for the kids of the school. After this every class performed their programmes which included colourful and traditional dances, group songs and a short play. Medhajyoti Nath, a class III student of the school, rendered his voice to one of the melodies of Dipali Barthakur. Dr. Narayan Sharma, the secretary of the management committee, in his speech said that this programme was organised with a view to making all the kids of the school familiar with the year-long Silver Jubilee Celebration of their own school. The anchoring of this ‘Aamar Rupali Jayanti’ programme was done by Aparna Devi, a senior teacher and ex-Principal of the school, Sonali Gogoi, HoD, Social Science and Bhaskar Jyoti Haloi, a teacher from the department of Assamese. The convenor of this programme was Jayanta Deka, a teacher from the department of English.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : | তাৰিখ :
*Ref :* | *Date :*

## ‘আমাৰ ৰূপালী জয়ন্তী’ অনুষ্ঠানেৰে জীপাল হ’ল অসম জাতীয় বিদ্যালয়ৰ চৌহদ

**নুনমাটি, গুৱাহাটী, ৩১ ডিচেম্বৰ, ২০১৮** : অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অংকুৰ শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত ‘আমাৰ ৰূপালী জয়ন্তী’ শীৰ্ষক এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। পুৱা ৯.০০ বজাত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে। ইয়াৰ পিছতে বিদ্যালয়ৰ উপাধ্যক্ষা উদয়া ফুকনে উপস্থিত সকলোকে অনুষ্ঠানলৈ আদৰণি জনোৱাৰ লগতে অনুষ্ঠানটি আয়োজনৰ উদ্দেশ্য সম্পৰ্কে অৱগত কৰে। প্ৰতিটো শ্ৰেণীৰ শিক্ষাৰ্থীয়ে গীত, নৃত্য, নাটকৰ সমন্বয়ত এক সুন্দৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি উপস্থিত দৰ্শক-শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি তোলে। অনুষ্ঠানত তৃতীয় শ্ৰেণীৰ শিক্ষাৰ্থী মেধাজ্যোতি নাথে সদ্য প্ৰয়াত সুকণ্ঠী গায়িকা দিপালী বৰঠাকুৰক সোঁৱৰণ কৰি তেখেতৰ কণ্ঠৰ এটি গীত পৰিৱেশন কৰে। উল্লেখ্য যে, এই অনুষ্ঠানত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই কণ-কণ শিক্ষাৰ্থীসকলৰ মাজত ৰূপালী জয়ন্তী সম্পৰ্কে হোৱা ধাৰণা আৰু তেওঁলোকৰ কোমল মনটোক বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ ধাৰণাৰ সৈতে চিনাকি কৰি দিয়াৰ উদ্দেশ্যে ‘আমাৰ ৰূপালী জয়ন্তী’ নামৰ অনুষ্ঠানটিৰ আয়োজন কৰা হয় বুলি বক্তব্য দাঙি ধৰে। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু অসমীয়া বিভাগৰ শিক্ষক ভাস্কৰজ্যোতি হালৈয়ে। সমগ্ৰ অনুষ্ঠানটিৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ ইংৰাজী বিভাগৰ শিক্ষক জয়ন্ত ডেকা।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০